**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। কেৰালাৰ ৱায়নাডত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যা ১৫৭ লৈ বৃদ্ধি পাইছে। সেনাবাহিনী তথা ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ লগতে অন্যান্য সংস্থাসমূহে যুঁটীয়াভাৱে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে।

২। দেশত জাতিৰ লোকপিয়লৰ দাবীৰে বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়।

৩। কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে দক্ষতা নিৰ্মাণ আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তে দেশৰ সংস্কৃতি আৰু ঐতিহ্যক সংৰক্ষণৰ বাবে চৰকাৰে কৰা প্ৰচেষ্টাৰ শলাগ লয়।

৪। লক্ষ্মণপ্ৰসাদ আচাৰ্য, গুলাব চান্দ কাটাৰীয়া আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সন্তোষ কুমাৰ গাংগৱাৰে আজি ক্ৰমে মণিপুৰ, পঞ্জাব আৰু ঝাৰখণ্ডৰ ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰে।

**আৰু**

৫। পেৰিছ অলিম্পিকৰ আজি পঞ্চম দিনা ভাৰতীয় বক্সাৰ, আৰ্চাৰ, শুটাৰ আৰু শ্বাটলাৰসকলে নিজ নিজ শাখাৰ খেলত অৱতীৰ্ণ হ'ব।

০০০০০০০

কেৰালাৰ ৱায়নাডত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যা ১৫৭ লৈ বৃদ্ধি পাইছে। এই দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত ১৮৬ জন লোকক বিভিন্ন হাস্পতালত চিকিৎসা প্ৰদান কৰি থকা হৈছে। জিলাখনৰ মুণ্ডাক্কাই অঞ্চলৰ পৰা উদ্ধাৰকাৰী দলে আজি আৰু বহুকেইটা মৃতদেহ উদ্ধাৰ কৰিছে। আনহাতে ধ্বংসাৱশেষৰ মাজত বহু মৃতদেহ পোত খাই থকাৰ সন্দেহ কৰা হৈছে। বোকাত পোত খাই থকা মৃতদেহ উদ্ধাৰ বাবে আৰক্ষীৰ স্নিফাৰ ড'গ নিয়োগ কৰা হৈছে। অঞ্চলটোত প্ৰতিৰক্ষা নিৰাপত্তা শস্য কেন্দ্ৰৰ চাৰিটা সাহায্য দল আৰু আঞ্চলিক সেনা বেটেলিয়ন নিয়োগ কৰা হৈছে।

ইপিনে মালাপ্পুৰাম জিলাৰ চালিয়াৰ নদীৰ পৰাও বহুকেইটা মৃতদেহ উদ্ধাৰ কৰা হৈছে। ৰাজ্যখনত কালিৰ ভয়াৱহ ভূমিস্খলনত নদীৰ পানীয়ে এই মৃতদেহসমূহ উটুৱাই লৈ যায়। ভূমিস্খলনত প্ৰায় ২০০ জন লোক এতিয়াও সন্ধানহীন হৈ থকাৰ তথ্য পোৱা গৈছে যদিও এই সংখ্যা অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। সেনা, নৌসেনা, বায়ুসেনা, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী তথা অন্যান্য সংস্থাসমূহে যুঁটীয়াভাৱে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। সেনা বাহিনীয়ে প্ৰকাশ কৰা মতে কালি নিশালৈকে ৭০টা মৃতদেহৰ লগতে প্ৰায় এহেজাৰ লোকক উদ্ধাৰ কৰাৰ হৈছে। ৱায়নাডত স্থাপন কৰা ৪৫টা সাহায্য শিবিৰত ৩ হাজাৰ ৬৯ জন লোকক আশ্ৰয় প্ৰদান কৰা হৈছে। সংখ্যালঘু পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী জৰ্জ কুৰিয়ান কালি নিশা জিলাখনত উপস্থিত হৈ উদ্ধাৰ অভিযানৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে এন ডি আৰ এফ আৰু সেনাৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বাৰ্তালাপ কৰে। তেওঁ লগতে কালপেট্টাত থকা সাহায্য শিবিৰসমূহো পৰিদৰ্শন কৰে। কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খান আৰু গোৱাৰ ৰাজ্যপাল পি এছ শ্ৰীধৰণ পিল্লাইয়ে আজি ৱায়নাডত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়।

ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কেৰালাৰ মালাপ্পুৰাম, কোঝিকʼড়, ৱায়নাড, কুন্নুৰ আৰু কাচাৰগডত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰি অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বিভাগীয় কৰ্তৃপক্ষই তিৰুৱানন্তপুৰম আৰু কুল্লামৰ বাহিৰে ১২ খন জিলাৰ সকলো শৈক্ষিক প্ৰতিষ্ঠান বন্ধ ঘোষণা কৰিছে।

০০০০০০০

দেশত জাতিৰ লোকপিয়লৰ দাবীৰে বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছৰ সদস্যসকলে বিষয়টো সদনত উত্থাপন কৰাৰ চেষ্টা চলায়। পাছত কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টী আৰু অন্যান্য দলৰ সদস্যসকলে সদনৰ মজিয়াত তেওঁলোকৰ দাবীৰ সমৰ্থনত শ্লʼগান দিবলৈ আৰম্ভ কৰে। অধ্যক্ষ ওম বিৰলাই প্ৰতিবাদৰত সদস্যসকলক নিজৰ নিজৰ আসন গ্ৰহণ কৰিবলৈ বাৰে বাৰে অনুৰোধ জনাই যদিও তেওঁলোকে প্ৰতিবাদ অব্যাহত ৰাখে। এনে পৰিস্থিতিৰ মাজতেই অধ্যক্ষই প্ৰশ্নকাল চলাই নিবলৈ চেষ্টা কৰে। তেওঁ কয় যে, পূৰ্ব পৰিকল্পিতভাৱে সদনৰ কাৰ্যসূচীত ব্যাঘাত জন্মোৱাটো উচিত নহয়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সদনত বিৰোধী পক্ষৰ ব্যৱহাৰৰ বাবে সমালোচনা কৰে। তেওঁ কংগ্ৰেছক সেনাবাহিনীৰ বিৰুদ্ধে মন্তব্য কৰি দেশক দুৰ্বল কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ কৰে। শ্ৰী ৰিজিজুৱে লগতে কংগ্ৰেছে দেশত হিংসাক উচতনি দিয়াৰ চেষ্টা কৰিছে বুলিও অভিযোগ উত্থাপন কৰে। হুলস্থূলীয়া পৰিস্থিতি বাহাল থকাৰ বাবে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়।

০০০০০০০

কেন্দ্ৰীয় পৰ্যটন আৰু সংস্কৃতি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে দক্ষতা নিৰ্মাণ আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তে দেশৰ সংস্কৃতি আৰু ঐতিহ্যক সংৰক্ষণৰ বাবে চৰকাৰে কৰা প্ৰচেষ্টাৰ শলাগ লয়। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰী শেখাৱটে কয় যে, ভাৰতত বিশ্ব ঐতিহ্য সমিতিৰ বৈঠক অনুষ্ঠিত কৰাটো হৈছে জি-২০ৰ অধ্যক্ষতাৰ পাছত ভাৰতৰ সামৰ্থ বৃদ্ধি প্ৰদৰ্শন কৰাৰ এটা উদাহৰণ। উল্লেখযোগ্য যে ২১ জুলাইত আৰম্ভ হোৱা এই সমিতিৰ বৈঠকৰ আজি অন্ত পৰিব। শ্ৰী শেখাৱটে লগতে উল্লেখ কৰে যে, চৰকাৰে যিমান সম্ভৱ বহুকেইটা ভাৰতীয় স্থানক ঐতিহ্য তালিকাৰ অন্তৰ্ভুক্ত কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। বিগত ১০ বছৰত ঐতিহ্যৰ তালিকাত ১৩ খন ক্ষেত্ৰ অন্তৰ্ভুক্ত কৰা হৈছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

দেশত প্ৰথমবাৰৰ বাবে বিশ্ব ঐতিহ্য সমিতিৰ বৈঠক অনুষ্ঠিত কৰাৰ বিষয়টোত আলোকপাত কৰি শ্ৰী শেখাৱটে কয় যে, অসমত ৬০০ বছৰ ধৰি ৰাজত্ব কৰা টাই-আহোমৰ সমাধিক্ষেত্ৰ চৰাইদেউৰ মৈদামসমূহ এইবাৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হʼল। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে ভাৰতে সম্ভাব্য ঐতিহ্য তালিকাত আৰু ৫৩ খন ক্ষেত্ৰৰ নাম প্ৰস্তাৱ কৰিছে বুলিও প্ৰকাশ কৰে।

০০০০০০০

লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি মণিপুৰৰ ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰে। ইম্ফলৰ ৰাজভৱনত আজি পুৱা শপতগ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হয়। মণিপুৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সিদ্ধাৰ্থ মৃদুলে তেওঁক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। অনুষ্ঠানত মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিঙকে ধৰি কেবিনেট মন্ত্ৰী, বিধায়ক, আৰক্ষী আৰু অসামৰিক বাহিনীৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ইফালে অসমৰ প্ৰাক্তন ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই আজি পঞ্জাবৰ ৰাজভৱনত পঞ্জাব আৰু চণ্ডীগড়ৰ নতুন ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰে। পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শ্বিল নাগুৱে তেওঁক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। শ্ৰী কাটাৰীয়া হৈছে পঞ্জাবৰ ৩০

সংখ্যক ৰাজ্যপাল। শপতগ্ৰহণ অনুষ্ঠানত পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান, মন্ত্ৰী, বিধায়ককে ধৰি পঞ্জাব আৰু কেন্দ্ৰীয়শাসিত অঞ্চল চণ্ডীগড়ৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

আনহাতে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সন্তোষ কুমাৰ গাংগৱাৰে আজি ঝাৰখণ্ডৰ নতুন ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰে। ৰাঁচিৰ ৰাজভৱনত ঝাৰখণ্ড উচ্চ ন্যায়ালয়ৰ বৰ্তমানৰ মুখ্য ন্যায়াধীশ সুজিত নাৰায়ণ প্ৰসাদে তেওঁক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেন আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে প্ৰাক্তন কেন্দ্ৰীয় স্বাস্থ্য সচিব তথা ১৯৮৩ বেটছৰ ভাৰতীয় প্ৰশাসনিক বিষয়া প্ৰীতি ছুডানক নিযুক্তি দিয়া হৈছে। ১ আগষ্টৰ পৰা দায়িত্ব গ্ৰহণ কৰিবলগীয়া শ্ৰী ছুডানৰ নিযুক্তিত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অনুমোদন জনাইছে। উল্লেখযোগ্য যে চলিত মাহৰ আৰম্ভণিতে কাৰ্যকাল শেষ হোৱাৰ পূৰ্বে পদত্যাগ কৰা ডা০ মনোজ ছনীৰ স্থানত শ্ৰী ছুডানে দায়িত্বভাৰ গ্ৰহণ কৰিব।

০০০০০০০

পেৰিছ্ অলিম্পিকৰ আজি পঞ্চম দিনা ভাৰতীয় বক্সাৰ, আৰ্চাৰ, শ্বুটাৰ আৰু শ্বাটলাৰসকলে নিজ নিজ শাখাৰ খেলত অৱতীৰ্ণ হ'ব। টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা বক্সাৰ লাভলীনা বৰগোঁহাইয়ে নৰৱেৰ সুন্নিভা হফ্ষ্টাডৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে এইবাৰৰ অলিম্পিকত নিজৰ অভিযান আৰম্ভ কৰিব। খেলখন ভাৰতীয় সময় অনুসৰি ৩ বাজি ৫০ মিনিটত আৰম্ভ হ'ব।

বেডমিণ্টনত মহিলাৰ ছিংগলছত পি ভি সিন্ধুৱে ইষ্টোনিয়াৰ কৃষ্টিন কিউবাৰ বিৰুদ্ধে খেলি আছে। আনহাতে পুৰুষৰ ছিংগলছত লক্ষ্য সেন ইণ্ডোনেছিয়াৰ জনাতন কৃষ্টিৰ সন্মুখীন হোৱাৰ বিপৰীতে এইছ্ এছ প্ৰণয় ভিয়েটনামৰ ড্যুক ফেট লেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

শ্বুটিঙৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিচন শিতানৰ যোগ্যতা নিৰূপণ খেল আৰম্ভ হৈছে। ঐশ্চৰী প্ৰতাপ সিং টোমৰ আৰু স্বপ্নীল কৌছেল এই পৰ্যায়ৰ যুঁজত অৱতীৰ্ণ হ'ব। একেদৰে মহিলাৰ ট্ৰেপ শ্বুটিঙত শ্ৰেয়াশী সিং আৰু ৰাজেশ্বৰী কুমাৰীয়ে আজি যোগ্যতা নিৰূপণ পৰ্যায়ৰ দ্বিতীয় ৰাউণ্ডত অৱতীৰ্ণ হ'ব। আনহাতে, অনুজ আগৰৱালে অশ্বচালনা প্ৰশিক্ষণৰ ব্যক্তিগত শিতানত ভাগ ল'ব।

শ্ৰীজা অকুলাই টেবুল টেনিছৰ এখন খেলত ছিংগাপুৰৰ চিয়ান জেঙৰ সন্মুখীন হ'ব।

আৰ্চাৰীত তৰুণদীপ ৰায় আৰু দীপিকা কুমাৰীয়ে ক্ৰমে পুৰুষ আৰু মহিলাৰ এলিমিনেশ্যন ৰাউণ্ডত দেশক প্ৰতিনিধিত্ব কৰিব। ভাৰতে এইবাৰৰ অলিম্পিকত বৰ্তমানলৈকে দুটা পদক লাভ কৰিছে।

০০০০০০০

ভাৰতীয় তথ্য সেৱাৰ প্ৰাক্তন বিষয়া সুৰেশ চন্দ্ৰ শৰ্মাৰ আজি নতুন দিল্লীত ৮৩ বছৰ বয়সত মৃত্যু হয়। প্ৰয়াত শৰ্মাই ২০০০ চনত আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ যুটীয়া সঞ্চালক পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ লগতে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ বহুকেইটা সংবাদ বিভাগতো কৰ্মৰত আছিল।

০০০০০০০

সমাপ্ত